**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 05-11-2025 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ডঃ এছ জয়শংকৰে ভাৰত-প্ৰশান্ত মহাসাগৰীয় অঞ্চলত কৌশলগত স্থিৰতাক শক্তিশালী কৰি তোলাৰ ক্ষেত্ৰত ভাৰত আৰু জাপানৰ মাজৰ মিত্ৰতাই উল্লেখখনীয় অৱদান আগবঢ়াই আহিছে বুলি মত প্ৰকাশ কৰিছে।

২। ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্প ভাৰত আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ মাজত দ্বিপাক্ষিক সম্পৰ্কক লৈ ইতিবাচক আৰু দৃঢ় বুলি হোৱাইট হাউছৰ প্ৰেছ সচিব কেৰ'লিন লেৱিটে মন্তব্য কৰিছে।

৩। বিহাৰ বিধানসভা নিৰ্বাচনৰ কাইলৈ হ'বলগীয়া প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণৰ বাবে সকলো প্ৰস্তুতি সম্পূৰ্ণ হৈ উঠিছে।

৪। সমগ্ৰ দেশত আজি গুৰু নানক জয়ন্তী উদযাপন কৰা হৈছে।

আৰু

৫। চতুৰ্দশ মৃত্যুবাৰ্ষিকীত সুধাকণ্ঠ ডঃ ভূপেন হাজৰিকাক স্মৰণ কৰাৰ বাবে আজি অসমত বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হৈছে।

ভাৰত-প্ৰশান্ত মহাসাগৰীয় অঞ্চলত কৌশলগত স্থিৰতাক শক্তিশালী কৰি তোলাৰ ক্ষেত্ৰত ভাৰত আৰু জাপানৰ মাজৰ মিত্ৰতাই উল্লেখনীয় অৱদান আগবঢ়াই আহিছে বুলি বৈদেশিক পৰিক্ৰমা দপ্তৰৰ মন্ত্ৰী ড $^{0}$ এছ জয়শংকৰে মত প্ৰকাশ কৰিছে। নতুন দিল্লীত অনুষ্ঠিত ভাৰত-জাপান ভাৰত-প্ৰশান্ত মহাসাগৰীয় মঞ্চৰ অষ্টম সন্মিলনত ভাষণ দি তেওঁ এই কথা প্ৰকাশ কৰে। শেহতীয়া কেইটামান দশকত দেশ দুখনৰ মাজৰ পাস্পৰিক সম্পৰ্ক অধিক সুদৃঢ় হৈ পৰা বুলি উল্লেখ কৰি তেওঁ কয় যে এই সম্পৰ্কই সম্প্ৰতি পূৰ্বৰ তুলনাত সৰ্বাধিক গুৰুত্ব লাভ কৰিছে। ভাৰত-জাপানৰ মাজৰ পাৰস্পৰিক সহযোগিতাৰ সম্পৰ্কই শক্তিৰ পূৰ্ণ ব্যৱহাৰ , যোগান শৃংখল শক্তিশালী কৰি তোলা , কৃত্ৰিম বুদ্ধিমত্তা , ছেমি কণ্ডাক্টৰ , নিকা শক্তি আৰু মহাকাশৰ দৰে ক্ষেত্ৰসমূহত বিনিয়োগ কৰাৰ বিষয়ত অধিক গুৰুত্ব আৰোপ কৰিব লাগিব। ভাৰত-প্ৰশান্ত মহাসাগৰীয় অঞ্চলৰ ক্ষেত্ৰত দুখন গুৰুত্বপূৰ্ণ গণতান্ত্ৰিক ৰাষ্ট্ৰ তথা সাগৰতীৰৰ ৰাষ্ট্ৰ হিচাপে ভাৰত আৰু জাপান উভয় দেশৰে বিশেষ দায়বদ্ধতা আছে বুলি মত প্ৰকাশ কৰি বিদেশ মন্ত্ৰীগৰাকীয়ে কয় যে ভাৰত-প্ৰশান্ত মহাসাগৰীয় উদ্যমে অঞ্চলটোলৈ অধিক অৱদান আগবঢ়োৱাৰ সামৰ্থ্য বহন কৰি আহিছে।

জাপানৰ নৱ-নিৰ্বাচিত প্ৰধানমন্ত্ৰী ছানায়ে টাকাইচিয়ে কাৰ্যভাৰ গ্ৰহণ কৰাৰ পাছত কৰা শেহতীয়া বাৰ্তালাপে দুখনৰ মাজৰ মিত্ৰতাক অগ্ৰাধিকাৰ প্ৰদান কৰা বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মত প্ৰকাশ কৰাৰ বিষয়েও তেওঁ উল্লেখ কৰে।

০০০০০০০০০

ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্প ভাৰত আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ মাজত দ্বিপাক্ষিক সম্পৰ্কক লৈ ইতিবাচক আৰু দৃঢ় বুলি হোৱাইট হাউছৰ প্ৰেছ সচিব কেৰ'লিন লেৱিটে প্ৰকাশ কৰিছে। ভাৰত-আমেৰিকা যুক্তৰাষ্ট্ৰৰ মাজৰ সম্পৰ্ক সন্দৰ্ভত সোধা এটা প্ৰশ্নৰ উত্তৰত প্ৰেছ সচিবগৰাকীয়ে কালি এইদৰে মন্তব্য কৰে। তেওঁ কয়, যে ৰাষ্ট্ৰপতি ট্ৰাম্পে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক যথেষ্ট সন্মান কৰে আৰু নেতা দুগৰাকীয়ে সঘনাই আলাপ-আলোচনা কৰে। বাণিজ্যিক আলোচনা সন্দৰ্ভত প্ৰেছ সচিবগৰাকীয়ে কয়, যে ৰাষ্ট্ৰপতি ট্ৰাম্প আৰু তেওঁৰ ব্যৱসায়িক দলে ভাৰতীয় পক্ষৰ সৈতে গভীৰভাৱে আলোচনা কৰি আছে। তেওঁ কয়, যে যোৱা মাহত হোৱাইট হাউছত দীপাৱলীৰ অনুষ্ঠানৰ আয়োজন আৰু ছৰ্জিঅ' গোৰক ভাৰতত আমেৰিকাৰ পৰৱৰ্তী ৰাষ্ট্ৰদূত হিচাপে নিযুক্তি, ভাৰতৰ সৈতে সম্পৰ্ক উন্নত কৰাৰ প্ৰতি ৰাষ্ট্ৰপতিগৰাকীৰ প্ৰতিশ্ৰুতিবদ্ধতা প্ৰতিফলিত কৰে। ৰাষ্ট্ৰপতি ট্ৰাম্পে অলপতে প্ৰধানমন্ত্ৰীৰ সৈতে কথা পতা বুলি তেওঁ জানিবলৈ দিয়ে। প্ৰেছ সচিবগৰাকীয়ে কয়, যে শ্ৰী ট্ৰাম্পে হোৱাইট হাউছত উচ্চ পদবীত নিয়োজিত ভাৰতীয় মূলৰ মাৰ্কিন বিষয়াৰ সৈতে অ'ভেল কাৰ্যালয়ত দীপাৱলী উদযাপন কৰে।

০০০০০০০০০

নতুন আৰু নৱীকৰণযোগ্য শক্তি মন্ত্ৰালয়ে অহা ১১ আৰু ১২ নৱেম্বৰত নতুন দিল্লীত সেউজ হাইড্ৰ'জেন, ২০২৫ শীৰ্ষক আন্তঃৰাষ্ট্ৰীয় সন্মিলনৰ আয়োজন কৰিছে। সেউজ হাইড্ৰ'জেনৰ উৎপাদন বৃদ্ধি, যাৱতীয় আন্তঃগাঁথনিৰ প্ৰসাৰ, চাহিদা আৰু গোলকীয় সহযোগিতাৰ উদ্গনি যোগোৱাৰ বাবে ব্যৱহাৰিক উপায় সম্পৰ্কে জ্ঞানৰ প্ৰচাৰ-প্ৰসাৰে এই সন্মিলনৰ মূল উদ্দেশ্য। নতুন আৰু নৱীকৰণযোগ্য শক্তি মন্ত্ৰী প্ৰহ্লাদ যোশী, পেট্ৰলিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰী হৰদীপ সিং পুৰী আৰু ধৰিত্ৰী বিজ্ঞান দপ্তৰৰ ৰাজ্য মন্ত্ৰী ডং জিতেন্দ্ৰ সিঙৰ লগতে বিভিন্ন মন্ত্ৰালয়ৰ প্ৰতিনিধি আৰু আন্তঃৰাষ্ট্ৰীয় প্ৰতিনিধিবৰ্গই সন্মিলনত ভাগ ল'ব। সন্মিলনত আয়োজিত বিভিন্ন সত্ৰত বিত্ত যোগান, প্ৰমাণীকৰণ, বন্দৰৰ প্ৰস্তুতি কৌশল বিকাশ আৰু প্ৰযুক্তিৰ থলুৱাকৰণ আদি বিষয়ত গুৰুত্ব আৰোপ কৰা হ'ব। এই সন্মিলনে চৰকাৰ, উদ্যোগ আৰু গৱেষণাৰ অগ্ৰাধিকাৰৰ বিষয়সমূহ প্ৰণালীবদ্ধ কৰাত সহায় কৰিব। নতুন আৰু নৱীকৰণযোগ্য শক্তি বিভাগৰ সচিব সন্তোষ কুমাৰ সাৰংগীয়ে এই সন্মিলন সন্দৰ্ভত কয়, যে সেউজ হাইড্ৰ'জেন দেশৰ নিকা, বহনক্ষম আৰু ঘৰুৱাভাৱে উৎপাদিত শক্তি সুনিশ্চিত কৰাৰ প্ৰচেষ্টাৰ গুৰুত্বপূৰ্ণ অংশ। তেওঁ কয়, যে খণ্ডটোৱে ক্ষিপ্ৰতাৰে বিকাশ লাভ কৰিছে আৰু প্ৰযুক্তিগত বিকল্প, ব্যয়শৈলী, আন্তঃগাঁথনিগত প্ৰয়োজন আৰু চাহিদা বৃদ্ধি সন্দৰ্ভত স্পষ্ট ধাৰণা জৰুৰী হৈ পৰিছে।

০০০০০০০০০

বিহাৰ বিধানসভা নিৰ্বাচনৰ কাইলৈ হ'বলগীয়া প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণৰ বাবে সকলো প্ৰস্তুতি সম্পূৰ্ণ হৈ উঠিছে। এই পৰ্যায়ত ৰাজ্যখনৰ ১৮ খন জিলাৰ ১২১ টা সমষ্টি সামৰি লোৱা হ'ব। প্ৰথম পৰ্যায়ত ৩ কোটি ৭৫ লাখ ভোটদাতাই এহেজাৰ ৩১৪ গৰাকী প্ৰাৰ্থীৰ ৰাজনৈতিক ভাগ্য নিৰ্ধাৰণ কৰিব। এই পৰ্যায়ত সামৰি ল'বলগীয়া জিলাসমূহৰ ভিতৰত পাটনা, দৰভংগা, মাধেপুৰা, ছহৰ্ষা, মুজাফ্ফৰপুৰ, গোপালগঞ্জ, ছিৱান, ছৰণ, বৈশালী,

সমষ্টিপুৰ, বেগুচৰাই, লক্ষীচৰাই, মুংগেৰ, শ্বেইখপুৰা, নালন্দা, বক্সাৰ আৰু ভোজপুৰ আছে। ৰাজ্যখনত অহা ১১ নৱেম্বৰত দ্বিতীয় তথা অন্তিম পৰ্যায়ত ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। ১৪ নৱেম্বৰত ভোটগণনা কৰা হ'ব।

000000000

শিখ ধৰ্মৰ প্ৰতিষ্ঠাপক গুৰু নানকৰ ৫৫৬ বছৰীয়া জয়ন্তী উপলক্ষে আজি সমগ্ৰ দেশতে গুৰু নানক জয়ন্তী উদযাপন কৰা হৈছে । ইয়াক গুৰুপৰব হিচাপেও জনা যায়। প্ৰতি বছৰে কাৰ্তিক পূৰ্ণিমাৰ দিনা গুৰুপৰব উদযাপন কৰা হয়। দেশ-বিদেশৰ ভক্তসকলে পৰম্পৰাগত নীতি-নিয়মেৰে শিখ ধৰ্মৰ এই অন্যতম পবিত্ৰ উৎসৱ পালন কৰে।

গুৰু নানক জয়ন্তী উপলক্ষে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেশবাসীক ওলগ জনাইছে। ৰাষ্ট্ৰপতি মুৰ্মুৱে সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত কয় , যে এই উৎসৱে আমাক সকলোকে গুৰু নানক দেৱৰ আদৰ্শ আৰু প্ৰমূল্যৰাজি আঁকোৱালি ল 'বলৈ অনুপ্ৰাণিত কৰে আৰু সকলোকে এখন উন্নত সমাজ গঢ়াৰ দিশত আগুৱাই লৈ যায়। তেওঁ কয়, যে গুৰু নানকৰ বাৰ্তাসমূহে সত্য, ন্যায় আৰু কৰুণাৰ ভিত্তিত জীৱন যাপন কৰাৰ শিক্ষা দিয়ে। তেওঁৰ এই শিক্ষা সফলতাৰ প্ৰকৃত মাপকাঠী বুলি ৰাষ্ট্ৰপতিগৰাকীয়ে মন্তব্য কৰে। তেওঁ কয়, যে গুৰু নানকৰ জীৱনে সকলোকে সততাৰে জীৱন-যাপন কৰিবলৈ সম্পদসমূহ আনৰ সৈতে ভগাই ল'বলৈ অনুপ্ৰাণিত কৰে।

প্ৰধানমন্ত্ৰী মোদীয়ে কাৰ্তিক পূৰ্ণিমা আৰু দেৱ দীপাৱলী উপলক্ষে জনসাধাৰণলৈ শুভেচ্ছা জ্ঞাপন কৰিছে। শ্ৰী মোদীয়ে এটা বাৰ্তাযোগে ভাৰতীয় সংস্কৃতি আৰু আধ্যাত্মিকতাৰ সৈতে জড়িত এই উৎসৱে যেন সকলোৰে জীৱনলৈ সুখ-সমৃদ্ধি, শান্তি আৰু সুস্বাস্থ্যৰ বতৰা কঢ়িয়াই আনে, তাৰেই কামনা কৰে। তেওঁ লগতে পৱিত্ৰ স্নান, আৰতি আৰু পূজা-অৰ্চনাৰ সৈতে জড়িত পৱিত্ৰ পৰম্পৰাই সকলোৰে জীৱন পোহৰাই তুলিব বুলি আশা প্ৰকাশ কৰে।

00000000

চতুৰ্দশ মৃত্যুবাৰ্ষিকীত সুধাকণ্ঠ ড° ভূপেন হাজৰিকাক স্মৰণ কৰাৰ বাবে আজি অসমত বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হৈছে। সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত কামৰূপ মহানগৰ জিলা প্ৰশাসনে আজি শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰিছে। জালুকবাৰীৰ ড° ভূপেন হাজৰিকা সমন্বয় তীৰ্থত পুৱা শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰা হয়। শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ পাছত সৰ্বধৰ্ম প্ৰাৰ্থনা, ভূপেন্দ্ৰ সংগীত, নৃত্যানুষ্ঠান অনুষ্ঠিত হয়। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই মৃত্যু বাৰ্ষিকী উপলক্ষে জালুকবাৰীত থকা ড° ভূপেন হাজৰিকা সমন্বয় তীৰ্থত বিশ্ব বৰেণ্য শিল্পীগৰাকীলৈ শ্ৰদ্ধা নিবেদন কৰে। এই উপলক্ষে মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে আজি ৰাজ্যৰ প্ৰতিখন জিলা সদৰত ৫ হাজাৰতকৈ অধিক ছাত্ৰ-ছাত্ৰী, যুৱক-যুৱতী আৰু কলা-কুশলীয়ে মানৱ শৃংখলৰ জৰিয়তে ভূপেন হাজৰিকাৰ মানুহে মানুহৰ বাবে শীৰ্ষক চিৰ সেউজ গীতটি পৰিৱেশন কৰিছে। তেওঁ কয়, যে মানুহে মানুহৰ বাবে গীতটিক সমগ্ৰ বিশ্বত

মানৱতাৰ গীত হিচাপে স্বীকৃতি দিয়াৰ বাবে ৰাজ্য চৰকাৰে প্ৰচেষ্টা চলাই আছে। তেওঁ কয়, যে এই গীতটি অকল অসমৰে নহয়, সমগ্ৰ মানৱ জাতিৰ সম্পদ।

লতাশিল খেল পথাৰতো দিনৰ ১১ বজাৰ পৰা সুধাকণ্ঠৰ সাংস্কৃতিক অৱদানক সুঁৱৰি বিশেষ কাৰ্যসূচী অনুষ্ঠিত হৈছে।

০০০০০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে ঐতিহাসিক বালিযাত্ৰা উৎসৱ আৰু বইটা বন্দনা উপলক্ষে দেশবাসীক বিশেষকৈ ওড়িশাৰ জনসাধাৰণক ওলগ জনাইছে। সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত ৰাষ্ট্ৰপতি মুৰ্মুৱে কয়, যে বালিযাত্ৰা ওড়িশাৰ গৌৰৱময় সামুদ্ৰিক ব্যৱসায়িক পৰম্পৰা আৰু সাংস্কৃতিক ঐতিহ্যৰ প্ৰতীক। গৌৰৱময় অতীতৰ কথা স্মৰণ কৰি সকলোৱে এখন উন্নত ৰাষ্ট্ৰ গঢ়াৰ বাবে কাম কৰিব বুলি তেওঁ আস্থা প্ৰকাশ কৰে।

০০০০০০০০০

ফিলিপাইনছত বছৰটোৰ সবাতোকৈ ভয়াৱহ কালমেগী ঘূৰ্ণী বতাহৰ ফলত কমেও ৬৬ জন লোকে প্ৰাণ হেৰুৱাইছে আৰু শ শ লোক ঘৰ এৰি আঁতৰি যাবলৈ বাধ্য হৈছে। ঘূৰ্ণী বতাহজাকে কালি নিচেই পুৱা ভূমিভাগত খুন্দা মৰাৰ পাছত ক্ৰমান্বয়ে দুৰ্বল হৈছে। অৱশ্যে এতিয়াও প্ৰতি ঘণ্টাত ১৩০ কিলোমিটাৰৰো অধিক বেগেৰে বতাহ বলি আছে। দেশখনৰ ৰাষ্ট্ৰীয় দুৰ্যোগ বিপদাশংকা প্ৰশমন আৰু ব্যৱস্থাপনা পৰিষদে প্ৰকাশ কৰা মতে চেবুত ৪৯ জন লোকে প্ৰাণ হেৰুৱাইছে। ইয়াৰে অধিকাংশ লোক ধ্বংসস্তুপৰ মাজত আৱদ্ধ হোৱা ভূমিস্খলন, বৰষুণ আৰু বানৰ বাবে প্ৰাণ হেৰুৱাইছে। বতাহজাক ভিয়েটনামৰ দিশে গতি কৰা বুলি অনুমান কৰা হৈছে।

০০০০০০০০০

মুক্তি যোদ্ধা দেশবন্ধু চিত্তৰঞ্জন দাসৰ আজি ১৫৫ সংখ্যক জন্ম বাৰ্ষিকী। এই উপলক্ষে লোকসভাৰ অধ্যক্ষ ওম বিৰলাই আজি নতুন দিল্লীৰ সংবিধান সদনত স্বাধীনতা সংগ্ৰামীগৰাকীলৈ পুষ্পাৰ্ঘ্য নিবেদন কৰে।

০০০০০০০০০

**সমাপ্ত**